**পাঁচখন ৰাজ্যত মেডিকেল এব'ৰশ্যন পিলৰ নাটনিত উদ্বেগ; ফাউণ্ডেশ্যন ফৰ ৰিপ্ৰডাক্টিভ হেল্থ ছাৰ্ভিচ ইণ্ডিয়াৰ অধ্যয়নত প্ৰকাশ**

*৬খন ৰাজ্যত এফআৰএইচএছ ইণ্ডিয়াৰ অধ্যয়ন সম্পন্ন আৰু ৬ খন ৰাজ্যৰ ৫ খনতে এমএ ড্ৰাগৰ মজুতত হীন-দেৰি পোৱা হৈছে*

**গুৱাহাটী, ১০ আগষ্ট, ২০২০:**ছখন ৰাজ্যৰ ১৫০০ কেমিষ্টৰ মাজত ফাউণ্ডেশ্যন ফৰ ৰিপ্ৰডাক্টিভ হেল্থ ছাৰ্ভিচ ইণ্ডিয়া (FRHSI)ই চলোৱা এটা অধ্যয়নত **সমীক্ষাকৃত ছখন ৰাজ্যৰ পাঁচখন**তে ঔষধৰ বৃহৎ নাটনিৰ কথা পোহৰলৈ আহে। এইকেইখনৰ ভিতৰত **মধ্য প্ৰদেশত ৬.৫%, পঞ্জাৱত ১.০%, তামিলনাডুত ২.০%, হাৰিয়ানাত** ২.০% **আৰু দিল্লীত ৩৪.০%** ঔষধহে মজুত আছে। কেৱলমাত্ৰ যাৱতীয় ঔষধ মজুত থকা ৰাজ্য হিচাপে পৰিগণিত হয় **অসম (৬৯.৬%)**।

| **ক্ৰমিক নং** | **ৰাজ্য** | **এমএ ড্ৰাগ মজুত ৰখা কেমিষ্টৰ%** |
|---|---|---|
| ১। | পঞ্জাৱ | ১.০% |
| ২। | হাৰিয়ানা | ২.০% |
| ৩। | তামিল নাড়ু | ২.০% |
| ৪। | মধ্য প্ৰদেশ | ৬.৫% |
| ৫। | দিল্লী | ৩৪.০% |
| ৬। | অসম | ৬৯.৬% |

ঔষধ নিয়ন্ত্ৰণ কৰ্তৃপক্ষসমূহৰদ্বাৰা এমএ ড্ৰাগ মজুত নৰখা কাৰ্যক অ'ভাৰ ৰেগুলেশ্যন হিচাপে গণ্য কৰা হয়।আইনী প্ৰসংগ আৰু অতিৰিক্ত ডুকুমেন্টেশ্যনৰ প্ৰয়োজনীয়তাৰপৰা হাত সাৰিবলৈ প্ৰায় ৭৯% কেমিষ্টে দীৰ্ঘ দিনৰপৰা এমএ ড্ৰাগ মজুত ৰখা নাই।৫৪.৮ % কেমিষ্টৰ ক্ষেত্ৰত এইটোও দেখা পোৱা যায় যে আন নিৰ্ধাৰিত এইচ ড্ৰাগৰ তুলনাত এমএ ড্ৰাগ অ'ভাৰ ৰেগুলেটেড। আনকি অসমৰ মজুত শতাংশ সৰ্বাধিক হোৱা সত্বেও,৫৮% কেমিষ্টেকে এমএ ড্ৰাগৰ ক্ষেত্ৰত অ'ভাৰ ৰেগুলেশ্যন হিচাপে গণ্য কৰা গৈছে।এমএ ড্ৰাগ মজুত নৰখাৰ মূল কাৰণ হিচাপে নিয়ন্ত্ৰক/আইনী প্ৰত্যাহ্বানেই চিহ্নিত হৈ আহিছে।ৰাজ্য অনুসৰি, হাৰিয়ানাৰ ৬৩%কেমিষ্ট, মধ্য প্ৰদেশৰ ৪০%, পঞ্জাৱৰ ৭৪% আৰু তামিল নাড়ুৰ ৭৯% কেমিষ্টৰে এয়া মজুত নাই।

এই প্ৰতিবেদন প্ৰকাশত বক্তব্য প্ৰদান কৰি, ***ফাউণ্ডেশ্যন ফৰ ৰিপ্ৰডাক্টিভ হেল্থ ছাৰ্ভিচ ইণ্ডিয়াৰ মুখ্য কাৰ্যবাহী বিষয়া*** আৰু ***প্ৰতিজ্ঞা কেম্পেইন এডভাইছৰী গ্ৰুপৰ সদস্য*** **শ্ৰী ভিএছ চন্দ্ৰশেখৰে** কয়,"ভাৰতত গৰ্ভাৱস্থাৰ অৱসানৰ পছন্দৰ পদ্ধতি হিচাপে মেডিকেল এব'ৰশ্যন বৃদ্ধি পাইছে আৰু মহিলাৰ সুৰক্ষিত গৰ্ভপাতৰ ক্ষেত্ৰত ঔষধ উপলব্ধ নোহোৱাতে ভীতিৰ কাৰক হিচাপে দেখা দিছে। পৰীক্ষাই দেখুৱাইছে যে এমএ ড্ৰাগ সুৰক্ষিত আৰু গৰ্ভাৱস্থাৰ অৱসানৰ এটা ফলপ্ৰসূ উপায়, সেয়েহে ইয়াৰ উপলব্ধতাহীনতাই দেশখনৰ অসুৰক্ষিত গৰ্ভপাত, প্ৰসূতিজনিত মৃত্যু আৰু উপসৰ্গ হ্ৰাসৰ সফলতা লাভৰ ক্ষেত্ৰত সম্ভাৱ্য বিৰূপ প্ৰভাৱ পেলাব পাৰে।"

এমএ ড্ৰাগৰ উপলব্ধতা পৰীক্ষণৰ উদ্দেশ্যেৰে কৰা এই অধ্যয়নটোৰ ফলাফলত এইটোও নিৰ্ণয় হয় যে **তামিল নাডু ৰাজ্যৰ কেমিষ্টসকলে ইমাৰ্জেন্সী কন্ট্ৰাচেপটিভ পিল (ইচিপি) মজুত ৰখা নাই।**ৰাজ্যখনৰ সমীক্ষাকৃত মাত্ৰ ৩% কেমিষ্টেহে ইচিপি মজুত ৰখাৰ কথা পোহৰলৈ আহে আৰু মজুত নৰখা ৯০% কেমিষ্টে অৱগত কৰে যে ৰাজ্যখনত এই পিলটো নিষিদ্ধ কৰা হৈছে।ইমাৰ্জেন্সী কন্ট্ৰাচেপটিভ পিল হৈছে নন-প্ৰেচক্ৰিপশ্যন ড্ৰাগ আৰু ৰাষ্ট্ৰীয় পৰিয়াল পৰিকল্পনা কাৰ্যক্ৰমৰ অধীনত 'আশা'সকলেও ইয়াৰ মজুত ৰাখে আৰু বিতৰণ কৰে।কেমিষ্টসকলক ইচিপি মজুত ৰখাত নিষেধাজ্ঞা প্ৰদানৰ ফলত তামিল নাডুৰ মহিলাসকলে সুৰক্ষিত আৰু ব্যৱহাৰ কৰিবলৈ সহজ গৰ্ভনিৰোধক বিকল্পৰপৰা বিৰত থাকিবলগীয়া হৈছে।

এমএ ড্ৰাগ উপলব্ধ নোহোৱাৰ প্ৰাথমিক কাৰণ হিচাপে নিয়ন্ত্ৰক বিষয়াসকলৰ মাজত লিংগ পক্ষপাতদুষ্ট ছেক্স নিৰ্বাচনৰ অৰ্থে এমএ কম্বি পেক ব্যৱহাৰ কৰিব পৰাৰ ভুল বুজাপৰাকে সূচিত কৰা যায়।আল্ট্ৰা চাউণ্ডে গৰ্ভধাৰণ কালৰ ১৩-১৪ সপ্তাহত ভ্ৰুণটোৰ লিংগ চিনাক্ত কৰিব পাৰে বাবে মাত্ৰ ন মাহলৈকেহে এমএ কম্বি পেক ব্যৱহাৰ কৰিবলৈ দিয়া যায়। এই ভ্ৰান্ত ধাৰণাটো সন্দৰ্ভ কেমিষ্টসকলে সজাগ নকৰে, অধ্যয়নটো কৰা ৰাজ্যসমূহৰ ভিতৰত মাত্ৰ প্ৰায় ১০% কেমিষ্টেহে অৱগত কৰে যে গৰ্ভাৱস্থাৰ লিংগ-নিৰ্বাচক অৱসানৰ বাবে এমএ ড্ৰাগ ব্যৱহাৰ কৰিব পাৰি।তথাপিও তামিলনাডুত, ৩৬%ৰ এই ভুল বুজি আছে।

"জনসাধাৰণৰ চলা-ফুৰাত বাধ্যবাধকতা আৰোপ আৰু চিকিৎসা সেৱা সীমিত হৈ পৰাৰ এই অসহায় পৰিস্থিতিত, মেডিকেল এব'ৰশ্যন ড্ৰাগৰ বিক্ৰীত আৰোপিত অপ্ৰয়োজনীয় বাধ্যবাধকতা আঁতৰাই ফাৰ্মাচীসমূহত জৰুৰীভাৱে ইয়াৰ সহজ উপলব্ধতা নিশ্চিত কৰাটো বাঞ্চনীয়।স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে এমএ ড্ৰাগ যে ভাৰতত ন মাহলৈকেহে ব্যৱহাৰত অনুমোদন জনোৱা হৈছে আৰু ইয়াক যে গৰ্ভাৱস্থাৰ লিংগ-নিৰ্বাচক অৱসানৰ অৰ্থে ব্যৱহাৰ কৰিব নোৱাৰি সেই সন্দৰ্ভত স্পষ্ট কৰাটো উচিত হ'ব।ইয়াৰ জৰিয়তে মহিলাসকলে চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হ'ব আৰু প্ৰেচক্ৰিপশ্যনৰদ্বাৰা ঔষধ লাভ কৰিব পাৰিব,"**এইদৰে কয় এফআৰএইচএছ ইণ্ডিয়াৰ ক্লিনিকেল ছাৰ্ভিচ ডাইৰেক্টৰ ডাঃ ৰশ্মি আৰ্ডেয়ে।**

তদন্ত আৰু অ'ভাৰ-ৰেগুলেশ্যনৰ বাবেই এমএ ড্ৰাগ উপলব্ধ নোহোৱা কথাটো বিচাৰ্যৰ বিষয় আৰু ইয়াৰ ফলশ্ৰুতিত কেইবা নিযুত মহিলাই গৰ্ভপাতৰ সুৰক্ষিত পদ্ধতি লাভৰপৰা বঞ্চিত হ'ব লগা হৈছে।২০১৯ ত ডব্লিউএইচঅ'য়ে, এমএ ড্ৰাগ গ্ৰহণত পূৰ্বে থকা চিকিৎসা সম্পৰ্কীয় তদাৰকীৰ নিৰ্দেশনা নাইকিয়া কৰি ইয়াক অত্যাৱশ্যকীয় ঔষধৰ মূল তালিকাত অন্তৰ্ভুক্ত কৰে।এমএ ড্ৰাগৰ মজুতত আৰোপিত অপ্ৰয়োজনীয় বাধ্যবাধকতা দূৰ কৰিলেমহিলাসকলে তেওঁলোকৰ পছন্দ অনুসৰি এই পদ্ধতিটো লাভৰ পথ প্ৰশস্ত কৰি তুলিব।"মেডিকেল এব'ৰশ্যনে প্ৰাৰম্ভিক এব'ৰশ্যন কেয়াৰৰ ব্যয় লক্ষ্যণীয়ভাৱে হ্ৰাস কৰি মহিলাৰ বাবে ইয়াক সুগম কৰি তুলিব।ক'ভিডৰ সময়ত, বহুতেই ছাৰ্জিকেল এব'ৰশ্যনৰ পূৰ্বে ক'ভিড ১৯ টেষ্ট কৰিবলৈ কয়, যিয়ে মহিলাৰ অৰ্থে সেৱাৰ ব্যয় বৃদ্ধি কৰি তুলিব পাৰে।তুলনামূলকভাৱে এমএ সুলভ কিয়নো ইয়াৰ বাবে ক্লিনিকেল ছেট আপৰ প্ৰয়োজনীয়তা নাথাকে।এমএ উপলব্ধ নোহোৱাত মহিলাসকলে ছাৰ্জিকেল এব'ৰশ্যন কৰিবলগীয়া হয় যাৰ বাবে ব্যয় বেছি হ'ব পাৰে আৰু এই সুবিধা গ্ৰহণটো জটিলতাৰ সৃষ্টি কৰিব পাৰে," **এইদৰে কয় এফআৰএইচএছ ইণ্ডিয়াৰ ছিনিয়ৰ মেনেজাৰ-পাৰ্টনাৰশ্বীপ দেবাঞ্জনা চৌধুৰী**য়ে।

ইয়াৰোপৰি, এই অধ্যয়নে এমএ আৰু লিংগ পক্ষপাতদুষ্ট ছেক্স নিৰ্বাচন সন্দৰ্ভত ভ্ৰান্ত ধাৰণা নোহোৱা কৰা; কেন্দ্ৰীয় ঔষধ মানক নিয়ন্ত্ৰণ সংস্থাৰ অনুমোদন/প্ৰয়োজনীয়তা আৰু এমটিপি আইনৰ সুসংগতকৰণ; এমবিবিএছ চিকিৎসকসকলে এমএ ড্ৰাগৰ বিধান দিব পৰাকৈ এমটিপি অধিনিয়মৰ সংশোধনী; ড্ৰাগ আৰু কচমেটিক্স এক্টৰ কে অনুসূচীৰ অধীনত এমএ কম্বি-পেকক শ্ৰেণীভুক্ত কৰাৰ বিবেচনা; আইইচি আৰু মিডিয়া আউটৰীচৰ জৰিয়তে সুৰক্ষিত এব'ৰশ্যন কমিউনিকেশ্যনত বিনিয়োগ বৃদ্ধি কৰা আৰু ট'ল-ফ্ৰী হেল্পলাইন নম্বৰৰ সূচনাৰদ্বাৰা এমএ ড্ৰাগ গ্ৰহণ কৰা মহিলাক সহায় আগবঢ়োৱাৰ পৰামৰ্শ আগবঢ়ায়।

বিস্তৃত অধ্যয়নটোৰ লিংকঃ https://bit.ly/2DTR6Sb

**সবিশেষ জানিবলৈ যোগাযোগ কৰকঃ**

দেবাঞ্জনা চৌধুৰী
ছিনিয়ৰ মেনেজাৰ-পাৰ্টনাৰশ্বীপ
debanjana.choudhuri@frhsi.org.in
011-49840000